**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। ভূমিস্খলনৰ ফলত বৰাক উপত্যকাৰে সংযোগ বিচ্ছিন্ন। উপত্যকাটোৰ প্ৰাৰ্থীৰ বাবে এ ডি আৰ ইৰ পৰীক্ষা পৃথককৈ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত।

২। ৰাজ্যত পঞ্চায়তৰ গঠন প্ৰক্ৰিয়া আৰম্ভ।

৩। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব খোজা উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা।

৪। কামাখ্যা ধামত অম্বুবাচী মহাযোগৰ আজি তৃতীয়দিনাও উখল-মাখল পৰিৱেশ। *আৰু*

৫। হেডিংলী টেষ্ট নাটকীয় ফলাফলৰ দিশে অগ্ৰসৰ।

oooooo

বৰাক উপত্যকাত শেহতীয়াকৈ হোৱা ভূমিস্খলনৰ ফলত যাতায়াত ব্যৱস্থা সম্পূৰ্ণভাৱে বিচ্ছিন্ন হৈ পৰিছে। পাহাৰ লাইনৰ জাতিংগা-লামপুৰ অংশৰ ৰে'ললাইনত হোৱা ভূমিস্খলনৰ বাবে সকলো ৰে'লসেৱা বাতিল কৰি দিয়াত উপত্যকাটোৰ জনসাধাৰণৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। কাছাৰ জিলাৰ বদৰপুৰৰ গেমন দলঙৰ মেৰামতিৰ কাম চলি থকাৰ লগতে শিলচৰ-কালাইন পথৰ হাৰাং দলং ভাগি পৰাৰ বাবে ৰে'ল আৰু পথ যোগাযোগ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। এনে পৰিস্থিতিত আজি গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া প্ৰত্যক্ষ নিযুক্তি প্ৰক্ৰিয়াৰ অধীনৰ নথি পৰীক্ষণ আৰু মৌখিক পৰীক্ষাত বৰাক উপত্যকাৰ প্ৰাৰ্থীসকল উপস্থিত থকাটো অসম্ভৱ হৈ পৰিছে। সেয়ে উপত্যকাটোৰ প্ৰাৰ্থীসকলৰ বাবে পৃথককৈ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অঞ্চলটোৰ প্ৰাৰ্থীসকলক এই বিশেষ সুযোগ প্ৰদান কৰাৰ বাবে মুখ্যমন্ত্ৰীক মন্ত্ৰী কৌশিক ৰয়ে ধন্যবাদ জ্ঞাপন কৰিছে। বৰাক উপত্যকাৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আমাৰ শিলচৰৰ সংবাদদাতা আঁখি দাসে এইদৰে জনাইছে –

বাইট

oooooo

ৰাজ্যত যোৱা ১১ মে'ত পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণা হৈ যোৱাৰ পাছত শেহতীয়াকৈ পঞ্চায়তসমূহৰ গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন স্থানত কালিৰেপৰা পঞ্চায়ত গঠনৰ বাবে আনুষ্ঠানিকতা আৰম্ভ কৰা হৈছে। এইবাৰ পঞ্চায়ত গঠনৰ নিয়ম অনুসৰি সভাপতিগৰাকীক প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰাৰ পৰিৱৰ্তে নিৰ্বাচিত পঞ্চায়তৰ সদস্যসকলৰ জৰিয়তে মনোনীত কৰাৰ ব্যৱস্থা কৰা হৈছে।

ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰদলনি উন্নয়ন খণ্ড আৰু ধেমাজি উন্নয়ন খণ্ডৰ ১১ খন গাঁও পঞ্চায়ত কালি গঠন কৰা হয়। নৱনিৰ্বাচিত পঞ্চায়ত সভাপতিসকলে কালি আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সমষ্টিটোৰ নতুনকৈ গঠন হোৱা পঞ্চায়তসমূহৰ প্ৰতিনিধিসমূহক শুভেচ্ছা জনোৱাৰ লগতে জনকল্যাণ আৰু উন্নয়নৰ হকে ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। বিধানসভা সমষ্টিটোৰ পঞ্চায়তসমূহৰ গঠন সন্দৰ্ভত আমাৰ ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাই এইদৰে জনাইছে –

**বাইট**

বজালীৰ ৬ নম্বৰ ওদালগুৰিৰ গাঁও পঞ্চায়তৰ নিৰ্বাচিত ১০ গৰাকী সদস্যই ভোটদানৰ জৰিয়তে জোনমণি মেধিক সভাপতিৰ বাবে নিৰ্বাচিত কৰিছে। পঞ্চায়তখনৰ উপ-সভাপতি হিচাপে জুমি তালুকদাৰক নিৰ্বাচিত কৰা হৈছে। ৰাজ্যৰ আন আন পঞ্চায়তসমূহতো সভাপতি নিৰ্বাচিত কৰি আনুষ্ঠানিকতা সম্পন্ন কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ প্ৰশিক্ষণৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক দিল্লীত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যই সংবাদ মাধ্যমযোগে কালি এই কথা প্ৰকাশ কৰে। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা, অৱতীৰ্ণ হোৱা আৰু স্থান লাভ কৰাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীৰ সংখ্যা বৃদ্ধি কৰিবলৈ ব্যাপক পৰিকল্পনা আৰু প্ৰচেষ্টাৰ প্ৰয়োজন আছে বুলি ছাত্ৰ সংগঠনটোৰ প্ৰতিনিধিয়ে মত প্ৰকাশ কৰে। এই উদ্দেশ্যেৰে সদৌ অসম ছাত্ৰ সন্থাই অসমৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীক লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাত উৎসাহ যোগোৱা আৰু অসমৰ পৰা দক্ষ প্ৰশাসনিক বিষয়া সৃষ্টি কৰাৰ অৰ্থে বিশেষ পৰিকল্পনা গ্ৰহণ কৰিছে। **প্ৰত্যাশা** শীৰ্ষক প্ৰকল্পৰ অধীনত ছাত্ৰ সংগঠনটোৱে চলিত বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ ২৫ গৰাকী পৰীক্ষাৰ্থীলৈ মূল পৰ্যায়ৰ পৰীক্ষাৰ বাবে সহায়-সমৰ্থন আগবঢ়াব। প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষাত সফলতা লাভ কৰা ইচ্ছুক পৰীক্ষাৰ্থীসকলে ছাত্ৰসন্থাৰ ৱেবছাইট WWW.AASU.ORG.IN লৈ গৈ অহা ২৯ জুনৰ ভিতৰত প্ৰপত্ৰ পূৰ কৰি আবেদন কৰিব পাৰিব। জুলাইৰ প্ৰথম সপ্তাহতে নিৰ্বাচিত ২৫ গৰাকী প্ৰশিক্ষাৰ্থীক এই সমৰ্থন আগবঢ়োৱা হ'ব। যদি প্ৰাৰম্ভিক পৰীক্ষাত কৃতকাৰ্য হোৱা কোনো পৰীক্ষাৰ্থীয়ে মূল পৰীক্ষাৰ প্ৰশিক্ষণৰ বাবে ইতিমধ্যে কোনো প্ৰতিষ্ঠানত নামভৰ্তি কৰিছে, তেনে পৰীক্ষাৰ্থীয়েও আবেদন কৰিব পাৰিব। প্ৰকল্পৰ দ্বিতীয় পদক্ষেপ অনুসৰি প্ৰতি বছৰে অসমৰ পৰা ২৬ গৰাকী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যসমূহৰ পৰা নেছ'ৰ জৰিয়তে দুগৰাকীকৈ ১৪ গৰাকী অৰ্থাৎ মুঠ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক পৰীক্ষাৰ প্ৰশিক্ষণৰ বাবে ছাত্ৰ সন্থাই দিল্লীলৈ প্ৰেৰণৰ সিদ্ধান্ত লৈছে। অতি শীঘ্ৰেই এই সন্দৰ্ভত ছাত্ৰ সন্থাই বিস্তৃত ব্যাখ্যা দাঙি ধৰিব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দিল্লীত প্ৰশিক্ষণৰ সময়ছোৱাত দিল্লীস্থিত সদৌ অসম ছাত্ৰ সন্থাই প্ৰশিক্ষাৰ্থীসকলৰ সৈতে সমন্বয় ৰক্ষা কৰি চলিব। এই পৰিকল্পনা আগুৱাই নিয়াৰ ক্ষেত্ৰত অসমৰ অসামৰিক সেৱাৰ কেইবাগৰাকীও অৱসৰপ্ৰাপ্ত বিষয়া আৰু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ উপাচাৰ্যই ছাত্ৰ সংগঠনটোক পৰামৰ্শ আগবঢ়াব।

০০০০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ আজি তৃতীয় দিনাও উখল-মাখল পৰিৱেশ অব্যাহত আছে। পুৱাৰে পৰা সাধু-সন্ন্যাসী আৰু ভালে সংখ্যক লোকৰ শক্তিপীঠ কামাখ্যালৈ

আগমন ঘটিছে। ইয়াৰোপৰি দুদিন পূৰ্বে কামাখ্যা ধামত উপস্থিত হোৱা দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীত আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে।

অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি গুৱাহাটীৰ কামাখ্যা ষ্টেচনত উপস্থিত হৈ অম্বুবাচী মহাযোগলৈ অহা বিভিন্ন ঠাইৰ ভক্তসকলক অসমবাসীৰ হৈ আদৰণি জনায়। উল্লেখযোগ্য ৰাজ্য চৰকাৰে পৰ্যটন বিভাগে **প্ৰণাম** নামেৰে কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু বন্দৰ, ভূতনাথ, নামনি কামাখ্যা আৰু আদাবাৰীত পাঁচটা আদৰণি কক্ষ স্থাপন কৰি ভক্তসকলক আদৰণি জনোৱাৰ ব্যৱস্থা কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তকে ধৰি আৰক্ষী-প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে মন্দিৰৰ চৌহদত বাহৰ পাতি পৰিস্থিতি তদাৰক কৰি আছে। বাহিৰৰ পৰা অহা ভক্তসকলৰ বাবে পাণ্ডু নদী বন্দৰ আৰু কামাখ্যা ৰে'ল ষ্টেচনত দুটা শিবিৰ স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। ২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব।

০০০০০০

বিগত দুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ঐতিহাসিক ৰংঘৰে ধৰি শিৱসাগৰ নগৰ কৃত্ৰিম বানৰ কবলত পৰিছে। আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে নগৰখনৰ দৌলমুখ, হাস্পতাল ৰোড, বাবুপট্টি, লখিমীনগৰ, ব'ৰ্ডিং ৰোড আদি অঞ্চল পানীত বুৰ গৈছে। সম্প্ৰতি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, জলসম্পদ বিভাগ, লোকনিৰ্মাণ বিভাগ, পৌৰসভা, অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু জিলা প্ৰশাসনে নগৰখনত পানী নিষ্কাষণৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নলা-নৰ্দমাসমূহ সময়মতে পৰিষ্কাৰ নকৰাৰ বাবে সৃষ্টি হোৱা এই কৃত্ৰিম বান নোহোৱা কৰিবলৈ জিলা প্ৰশাসনে পৰহিৰে পৰা নলাসমূহৰ ছাফাই কাৰ্য ক্ষিপ্ৰতাৰে অব্যাহত ৰাখিছে। ইপিনে উজনিত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত নীপকো বান্ধৰ সৰ্বোচ্চ ধাৰণ ক্ষমতা অতিক্ৰম কৰাৰ আশংকা আছে। প্ৰয়োজন সাপেক্ষে নীপকো বান্ধৰ গে'ট খুলি দিয়া হ'ব পাৰে বুলি আমাৰ লখিমপুৰৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

ৰাজ্যৰ জনসাধাৰণৰ স্বাস্থ্যৰ মান উন্নত কৰাৰ লক্ষ্যৰে চৰকাৰে বিশেষ স্বাস্থ্য শিবিৰ আৰু জটিল ৰোগ পৰীক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই স্বাস্থ্য বিভাগৰ উচ্চপদস্থ বিষয়াবৰ্গৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত স্বাস্থ্য শিবিৰত বিভিন্ন জটিল ৰোগত আক্ৰান্ত ১৮ বছৰৰ তলৰ ৰোগীসকলক চিনাক্ত কৰি তেওঁলোকৰ প্ৰয়োজনীয় চিকিৎসা কৰা সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি স্বাস্থ্য শিবিৰৰ বাবে প্ৰয়োজনীয় চিকিৎসক, শিবিৰৰ স্থান আদি বিষয়তো আলোচনা কৰা হয়। শিবিৰত চিনাক্ত হোৱা ৰোগীৰ আয়ুষ্মান কাৰ্ড নাথাকিলে তেওঁলোকক কেনেদৰে এই কাৰ্ড যোগান ধৰা হ'ব, সেই বিষয়তো মুখ্যমন্ত্ৰীয়ে আলোচনা কৰে।

০০০০০০

ৰাজ্যৰ হাইস্কুলসমূহত স্নাতক শিক্ষক নিযুক্তিৰ বাবে অনুষ্ঠিত কৰা টেট পৰীক্ষাৰ ফলাফল কালি ঘোষণা কৰা হয়। মাধ্যমিক শিক্ষা সঞ্চালকালয়ে প্ৰতিটো বিষয়ৰ পৰীক্ষাৰ কাট অফ মাৰ্কো কালি প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে এই পৰীক্ষাত যোগ্যতা অৰ্জন কৰা প্ৰাৰ্থীসকল নথি পৰীক্ষণৰ বাবে সংশ্লিষ্ট মণ্ডলসমূহত উপস্থিত হ'ব লাগিব। প্ৰাৰ্থীসকলক মাৰ্কশ্বিটৰ লগতে নথি পৰীক্ষণৰ এডমিট কাৰ্ডো প্ৰদান কৰা হৈছে।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা ১ জুলাইত ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰ কেইখন ১ জুলাইত আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই সেইদিনা দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। সেইদিনাই সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এটা বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীয়ে ৭৭ বছৰ ইতিহাসত এইয়ে প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

oooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

oooooo

হেডিংলী টেষ্ট, আজি পঞ্চম তথা অন্তিম দিনা নাটকীয় পৰিণতিৰ দিশে অগ্ৰসৰ হৈছে। খেলখনৰ কালি চতুৰ্থ দিনা ভাৰতে দিনটোৰ খেল শেষ হ'বলৈ প্ৰায় আধা ঘণ্টাৰ পূৰ্বে ভাৰতৰ দ্বিতীয় ইনিংছ ৩৬৪ ৰানত অন্ত পৰে। ফলত টেষ্ট মেচখনত জয়লাভৰ বাবে ঘৰুৱা দলটোক দ্বিতীয় ইনিংছত ৩৭১ ৰানৰ প্ৰয়োজন হয়। ইংলেণ্ডে নিজৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰি দিনান্তত কোনো উইকেট নেহেৰুৱাকৈ ২১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ দ্বিতীয় ইনিংছত কে এল ৰাহুলে ১৩৭ ৰান আৰু ঋষভ পন্টে ১১৮ ৰান সংগ্ৰহ কৰে। ইয়াৰ পাছত অৱশ্যে ভাৰতৰ বাকী ৭টা উইকেটৰ সোনকালেই পতন ঘটে। খেলখনৰ আজি পঞ্চম দিনা ভাৰতৰ প্ৰয়োজন ইংলেণ্ডৰ দহটা উইকেট আনহাতে ইংলেণ্ডক জয়ৰ বাবে আৰু ৩৫০ ৰানৰ প্ৰয়োজন।

oooooo

বহিঃৰাজ্যত অধ্যয়নৰত অথবা কৰ্মৰত লোকৰ মৃত্যু হ'লে তেওঁলোকৰ মৃতদেহ স্বগৃহলৈ অনাৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত গৃহীত শ্ৰদ্ধাঞ্জলি আঁচনিখন প্ৰকৃততে ২০১৯-২০২০ বৰ্ষৰ বাজেটতে ঘোষণা কৰা হৈছিল বুলি এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে **২০১৯ৰ আঁচনিকে নতুনকৈ ঘোষণা মুখ্যমন্ত্ৰীৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ইৰানে বিশ্বৰ বিভিন্ন দেশলৈ হৰমুজ প্ৰণালীৰে সৰবৰাহ কৰি থকা খাৰুৱা তেলৰ ৰপ্তানী বন্ধ কৰাৰ হুংকাৰ দিছে। এই বাতৰিটো অসমীয়া খবৰ, আমাৰ অসমকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তাৰ শিৰোনাম **হৰমুজ প্ৰণালী বন্ধৰ সিদ্ধান্ত ইৰানৰ।** ইৰানে হৰমুজ প্ৰণালীৰে তেল সৰবৰাহ বন্ধ কৰিলেও অসমত খাৰুৱা তেলৰ বাবে সমস্যা নহয় বুলি এটা বাতৰি দৈনিক অসম কাকতে মুখ্য বাতৰিত স্থান দিছে।

ইৰান আৰু ইজৰাইলৰ মাজত চলি থকা যুদ্ধৰ ফলত ইৰানত ভাৰতীয় চাহৰ দ্বিতীয় বৃহত্তম বজাৰখনত অসমৰ চাহে প্ৰত্যাহ্বান সন্মুখীন হোৱা বাতৰিতো দৈনিক জনমভূমি কাকতে **মুম্বাই বন্দৰত পৰি আছে ১৫০ কোটি টকাৰ চাহ** শিৰোনামেৰে সবিস্তাৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ প্ৰশিক্ষণৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক দিল্লীত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। এই বাতৰিটো দা ছেণ্টিনেল কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক অগ্ৰদূত, দৈনিক অসম, দৈনিক জনমভূমিকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কালি নিশা কাটাৰত থকা আমেৰিকাৰ বিমানঘাটিত ইৰানৰ ক্ষেপণাস্ত্ৰ আক্ৰমণৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে **IRAN FIRES MISSILES AT US BASES IN QATAR, IRAQ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আহক, এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ মাতৃ বীণা ভট্টাচাৰ্যৰ কালি নিশা গুৱাহাটীত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৫ বছৰ। অসম আন্দোলনৰ নেত্ৰী বীণা ভট্টাচাৰ্যৰ শেষকৃত্য আজি নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হ'ব। তেওঁৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত